অধ্যায় ৬ ঃ আৰণ্যক সাহিত্য ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ বেদ

৬.৪ গ্ৰন্থ হিচাপে বেদৰ লক্ষণ

৬.৫ আৰণ্যক ঃ সাধাৰণ পৰিচয়

৬.৬ আৰণ্যক শব্দৰ ব্যুপত্তি

৬.৭ আৰণ্যক গ্ৰন্থৰ বিষয়বস্তু

৬.৮ আৰণ্যকৰ সংখ্যা

- ৬.৮.১ ঐতৰেয় আৰণ্যক
- ৬.৮.২ শাঙ্খায়ন আৰণ্যক
- ৬.৮.৩ বৃহদাৰণ্যক
- ৬.৮.৪ তৈত্তিৰীয় আৰণ্যক
- ৬.৮.৫ তলৱকাৰ আৰণ্যক

৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১০ অধিক জানিবলৈ

৬.১১ অগ্ৰগতিৰ খতিয়ান

৬.১২ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেদৰ আৰণ্যক অংশটোৰ বিষয়ে জানিব পাৰিব
- আৰণ্যকৰ লগত পৰিচয় হ'ব পাৰিব
- আৰণ্যকৰ বিষয়বস্তুৰ লগত চিনাকী হ'ব পাৰিব
- আৰণ্যকৰ সংখ্যাৰ লগত অবগত হ'ব পাৰিব
- আৰণ্যককেইখনৰ লগত পৰিচয় হ'ব পাৰিব।

৬.২ পৰিচয়

মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ— এই চাৰি প্ৰকাৰৰ সাহিত্যসমূহৰ দ্বাৰা বেদ সংকলিত হৈছে। বৈদিক সাহিত্যত ব্ৰাহ্মণ ভাগৰ অন্তৰ্গত আৰণ্যক গ্ৰন্থসমূহ অতিকে মহত্ত্বপূৰ্ণ।

বৈদিক যাগ-যজ্ঞৰ বহুলতাত তিক্ততা অনুভৱ কৰি কিছুমান বিদ্বান ব্যক্তিয়ে অৰণ্যত বেদৰ বিষয়বস্তুক আধ্যাত্মিকতাৰে চিন্তা কৰাৰ প্ৰয়াস কৰিছিল। সেয়াই আৰণ্যক শ্ৰেণীৰ সৃষ্টিৰ উৎস। অৰণ্যত বৈদিক চিন্তাধাৰাই নতুনকৈ প্ৰাণ পাই উঠে আৰু ৰহস্যবাদী নতুন সাহিত্যই গঢ় লৈ উঠে। হুলস্থূলীয়া গ্ৰাম্য পৰিৱেশত এনেধৰণৰ গভীৰ চিন্তাৰ উদয় হ'ব নোৱাৰে বাবে, এই চিন্তাধাৰাই অৰণ্যক নিৰ্জন পৰিৱেশত মূৰ দাঙি উঠে। অৰণ্যত এই শ্ৰেণীৰ বৈদিক সাহিত্যৰ সৃষ্টি হোৱা কাৰণে, এই শ্ৰেণীৰ সাহিত্যক 'আৰণ্যক' আখ্যা দিয়া হৈছে। ব্ৰহ্ম, আত্মা, কাল আদি দাৰ্শনিক বিষয়ৰ উপৰিও, যাগ-যজ্ঞৰ দাৰ্শনিক তথা আধ্যাত্মিক তত্ত্ব আৰণ্যকত পোৱা যায়। পৰৱৰ্তী 'উপনিষদ্' শ্ৰেণীৰ সাহিত্যৰ এই আৰণ্যকসমূহেই হৈছে মূল স্ৰোত। সংখ্যাত তাকৰীয়া হ'লেও এই আৰণ্যক গ্ৰন্থই বৈদিক সাহিত্যত মহত্ত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

আৰণ্যকৰ এই অধ্যায়টোত আপুনি আৰণ্যক সাহিত্যৰ লগত পৰিচয় হোৱাৰ লগতে আৰণ্যকৰ বিষয়বস্তুৰ ওপৰত জ্ঞান লাভ কৰিব পাৰিব। যিয়ে আপোনাক ইয়াৰ পৰৱৰ্তী অধ্যায়ত থকা তৈত্তিৰীয় আৰণ্যকৰ বিষয়বস্তু 'পঞ্চমহাযজ্ঞ'ৰ পাঠটো বুজাত সহায়ক হ'ব।

৬.৩ বেদ

ভাৰতীয় হিন্দুধৰ্ম তথা ইয়াৰ সংস্কৃতিৰ মূলাধাৰ হৈছে 'বেদ'। বিশ্বৰ সৰ্বপ্ৰথম বাঙ্ময়েই হৈছে বেদ। মানৱ সৃষ্টিৰ আগতেই পৰমেশ্বৰে তেওঁলোকৰ কল্যাণৰ বাবে বেদৰ আৱিষ্কাৰ কৰা হৈছিল বুলি শুনা যায়। সেই কাৰণে বেদক 'অনাদি' তথা অপৌৰুষেয় বুলি কোৱা হৈছে। জ্ঞানাৰ্থক বিদ্ ধাতুৰ পৰা নিষ্পন্ন হোৱা বেদ শব্দটোৰ অৰ্থ হৈছে 'জ্ঞান', 'জ্ঞানৰ বিষয়' তথা 'জ্ঞানৰ সাধন'। 'মনুসংহিতা'ত কোৱা হৈছে যে বেদ গোটেই ধৰ্মৰ মূল— 'ৱেদো ৎখিলো ধৰ্মমূলম্' (মনুস্মৃতি, ২/৬)। আপস্তম্ব, বোধায়ন আদি শাস্ত্ৰকাৰসকলেও বেদক ধৰ্মৰ মূল বুলি কৈছে। সেয়েহে ভাৰতবাসীয়ে চিৰন্তন কালৰ পৰাই বেদৰ ওপৰত আস্থা প্ৰকট কৰি অহাৰ লগতে তেওলোকে বেদৰ বাণীক আপ্তবাক্য, অলংঘনীয় আৰু স্বয়ং প্ৰামান্য বুলি কৈছে।

সাধাৰণতে বেদ বুলিলে এক প্ৰকাৰৰ পবিত্ৰ আৰু ৰহস্যময় অতীন্দ্ৰিয় জ্ঞানকে বুজায়। ধৰ্ম-অৰ্থ-কাম-মোক্ষ— এই চাৰিপ্ৰকাৰৰ পুৰুষাৰ্থ প্ৰাপ্তিৰ উপায় যাৰ দ্বাৰা কোৱা হয়, তাকেই বেদ বোলে। 'বেদ্যন্তে জ্ঞাপ্যন্তে ধৰ্মাদিপুৰুষাৰ্থচতুষ্টয়োপায়া যেন ম বেদঃ'। বেদ ভাষ্যকাৰ সায়ণাচাৰ্য্যই কৈছে যে, অভীষ্ট প্ৰাপ্তি তথা অনিষ্ট পৰিহাৰাৰ্থে অলৌকিক উপায়সমূহ যিখন গ্ৰন্থই কয়, সেয়াই বেদ— 'ইষ্ট প্ৰাপ্ত্যনিষ্ট পৰিহাৰয়োৰলৌকিকমুপায়ং য়ো গ্ৰন্থো বেদয়তি স বেদঃ'। ঋষি যাজ্ঞবল্ক্যৰ মতে ইন্দ্ৰিয়সমূহৰ দ্বাৰা প্ৰত্যক্ষভাৱে অথবা অনুমানৰ দ্বাৰা যি জ্ঞান লাভ কৰাৰ কোনো উপায় নাই, সেই জ্ঞান বেদৰ দ্বাৰা সম্ভৱ হয় আৰু ইয়াতেই বেদৰ বেদত্ত্ব প্ৰকাশিত হৈছে—

'প্ৰত্যক্ষেণানুমিত্যা বা য়স্তুপায়ো ন বিদ্যতে।
এনং বিদন্তি বেদেন তস্মাদ্ ৱেদস্য বেদতা।।'

৬.৪ গ্ৰন্থ হিচাপে বেদৰ লক্ষণ

আপস্তম্ব নামৰ এজন ঋষিয়ে তেওঁৰ গ্ৰন্থ 'পৰিভাষাসূত্ৰত' (১/৬৬) বেদৰ গাঁথনিক লক্ষণ হিচাপে কৈছে যে মন্ত্ৰ আৰু ব্ৰাহ্মণাত্মক শব্দ ৰাশিকেই বেদ বুলি কোৱা হয়— 'মন্ত্ৰব্ৰাহ্মণয়োর্বেদনামধেয়ম্'। একেই অৰ্থতে প্ৰাচীন গ্ৰন্থকাৰসকলে আন এটা লক্ষণ আগবঢ়াইছে— 'মন্ত্ৰ-ব্ৰাহ্মণাত্মকঃ শব্দৰাশির্বেদঃ।' মন্ত্ৰ তথা ব্ৰাহ্মণ কি— এই সম্পকে জৈমিনীয়ে এনেদৰে কৈছে— 'তচ্চোদকেষু মন্ত্ৰাখ্যা। শেষে ব্ৰাহ্মণশব্দঃ' (জৈমিনীসূত্ৰঃ ২/১/৩২-৩৩)। অৰ্থাৎ কৰ্মকাণ্ড (যজ্ঞানুষ্ঠান)ৰ প্ৰতি মন্ত্ৰভাগে প্ৰেৰণা দিয়ে, তথা মন্ত্ৰভাগ বাদ দি যিখিনি থাকে, সেইখিনি ব্ৰাহ্মণ। 'মন্ত্ৰ' শব্দটোৰ বুৎপত্তি আচাৰ্য্য যাস্কই 'নিৰুক্ত' গ্ৰন্থত এনেদৰে দিছে যে মননৰ পৰাই মন্ত্ৰৰ সৃষ্টি হৈছে— 'মন্ত্ৰ মননাৎ' (নিৰুক্ত, ৭/২২)। মন্ত্ৰক 'ব্ৰহ্মা' শব্দয়ো বুজায়। ঋক্‌বেদৰ 'ঋক্' সামবেদৰ 'সামন্' আৰু যজুৰ্বেদৰ 'য়জুস্'— এইবোৰক মন্ত্ৰ বোলে। প্ৰকৃততে যাৰ প্ৰয়োগৰ দ্বাৰা যাগ-যজ্ঞ, সংস্কাৰ আদি কৰ্ম অনুষ্ঠিত হয় আৰু যিবোৰত দেৱতাৰ স্তুতি নিহিত থাকে, সেয়াই মন্ত্ৰ। বেদৰ আনটো ভাগ অৰ্থাৎ ব্ৰাহ্মণৰ অৰ্থ হৈছে— যজ্ঞ, বৰ্ধন, বিতান, বিস্তাৰ আদি। যি গ্ৰন্থত যজ্ঞ সম্বন্ধীয় কথা বিস্তৃতভাৱে কোৱা হৈছে, সেয়াই ব্ৰাহ্মণ। ব্ৰাহ্মণ গ্ৰন্থৰ অন্তিম অংশত আৰণ্যক আৰু উপনিষদ সোমাই থাকে। দৰাচলতে আৰণ্যক আৰু উপনিষদ ব্ৰাহ্মণৰেই অন্তৰ্গত। সেই কাৰণে বেদৰ লক্ষণত আৰণ্যক আৰু উপনিষদক পৃথককৈ উল্লেখ কৰা হোৱা নাই। দৰাচলতে 'বেদ' বুলি ক'লে চাৰিও প্ৰকাৰ গ্ৰন্থ, অৰ্থাৎ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ— এই চাৰিও প্ৰকাৰৰ গ্ৰন্থৰ একত্ৰিকৰণকেই বুজা যায়। বেদৰ অন্তিম অংশ হিচাপে উপনিষদক 'বেদান্ত' বুলিও আখ্যা দিয়া হৈছে। মন্ত্ৰ আৰু ব্ৰাহ্মণ অংশক বোৰে 'কৰ্মকাণ্ড' তথা আৰণ্যক আৰু উপনিষদ অংশক 'জ্ঞানকাণ্ড' বুলি অভিহিত কৰা হৈছে।' তলত সংক্ষেপে এই চাৰিটা ভাগৰ বিষয়ে আলোচনা কৰা হ'ল।

মন্ত্ৰ ঃ বেদৰ মন্ত্ৰ বুলিলে য'ত প্ৰত্যেকখন বেদৰে সূক্তসমূহ, স্তৱ, স্তুতি, আশীৰ্বচন, প্ৰাৰ্থনা আদি আছে, সেই অংশটোকে বুজা যায়। সাধাৰণতে যাৰ প্ৰয়োগৰ দ্বাৰা যাগ-যজ্ঞ, সংস্কাৰ আদি কৰ্ম অনুষ্ঠিত হয় আৰু য'ত দেৱতাৰ স্তুতি নিহিত হৈ থাকে, তাকেই 'মন্ত্ৰ' বুলি কোৱা হয়। মন্ত্ৰক 'সংহিতা' বুলিও জনা যায়। মন্ত্ৰসমূহৰ অথবা সূক্তসমূহৰ একত্ৰ সংকলনকেই সংহিতা বোলে— 'সংহন্যন্তে একত্ৰীক্ৰিয়ন্তে মন্ত্ৰাঃ সূক্তানি বা অস্যাং সা সংহিতা'।

বেদত তিনি প্ৰকাৰৰ মন্ত্ৰ পোৱা যায়, যাক সাধাৰণভাৱে 'ত্ৰয়ী' বুলি কোৱা হৈছে। যদিও বেদৰ মন্ত্ৰসমূহ বস্তুতঃ একপ্ৰকাৰৰ, তথাপি সেইবোৰৰ স্বৰূপৰ ভিন্নতা মানি লৈ সেইবোৰক ঋক্, যজুস্ আৰু সামন্— এই তিনি প্ৰকাৰত ভাগ কৰা হৈছে। আচাৰ্য জৈমিনীয়ে এই মন্ত্ৰ তিনিপ্ৰকাৰৰ লক্ষণ এনেদৰে দিছে— য'ত বা যি মন্ত্ৰত অৰ্থ অনুসৰি পাদৰ ব্যৱস্থা আছে, সেই ছন্দোবদ্ধ মন্ত্ৰকে 'ঋক্' মন্ত্ৰ বোলা হৈছে— 'তেষাম্ ঋগ্ যত্ৰাৰ্থবশেন পাদব্যৱস্থা', 'জৈমিনীসূত্ৰ, ২/১/৩৫); যিবিলাক মন্ত্ৰ গীতৰ দৰে (যাগ-যজ্ঞত) গোৱা হয়, সেইবোৰক 'সামন্' বোলে— 'গীতিষু সামাখ্যা', (জৈমিনিসূত্ৰ, ২/১/৩৬)। আনহাতে ঋক্-সাম ব্যতিৰিক্ত যিবোৰ মন্ত্ৰ অৱশিষ্ট

হৈ ৰ'ল, সেইবোৰ মন্ত্রক যজুস্ আখ্যাৰে বুজোৱা হ'ল— 'শেষে য়জুস্ শব্দঃ' (জৈমিনীসূত্র, ২/১/৩৭)। অর্থাৎ যজুস্ মন্ত্রবোৰ ছন্দোবদ্ধও নহয়, গীতিধর্মীও নহয়। এই মন্ত্রবোৰ সাধাৰণতে গদ্যাত্মক বুলি কোৱা হৈছে— 'গদ্যাত্মকো যজুঃ'।

এই মন্ত্রসমূহৰ বৈশিষ্ট্য অনুসৰি একত্রিত কৰি কৰা সংকলন একোটাকৈ বুজাবলৈ 'সংহিতা' শব্দটো ব্যৱহাৰ কৰা হৈছে। ইয়াত 'সংহিতা' শব্দটোৰ অর্থ সংকলন বা সংগ্রহ। সেই অনুসৰি ঋক্ মন্ত্রসমূহৰ একত্র সংকলনক 'ঋক্সংহিতা বুলি কোৱা হয়। সেইদৰে সামসংহিতা, যজুসংহিতা তথা অর্থাৎ সংহিতা পোৱা যায়।

ব্রাহ্মণ ঃ বৈদিক বাঙ্ময়ত ক্লীৱলিঙ্গত ব্যৱহাৰ হোৱা ব্রাহ্মণ শব্দটোৱে গ্রন্থক বুজায়— 'ব্রহ্মাণং ব্রহ্মসংঘাতে বেদভাগে নপুংসকম্'। ব্রাহ্মণ গ্রন্থসমূহত মন্ত্রসমূহৰ ব্যাখ্যা পোৱা যায়— 'ব্রহ্ম বৈ বেদঃ ব্রাহ্মণ তস্য ব্যাখ্যান গ্রন্থঃ'। য'ত মন্ত্র তথা ইয়াৰ বিনিয়োগসমূহ নিহিত হৈ থাকে, তাকেই ব্রাহ্মণ বোলে। ব্রাহ্মণ গ্রন্থসমূহত মন্ত্রসমূহৰ ব্যাখ্যাৰ উপৰিও বিবিধ যাগ-যজ্ঞৰ প্রক্রিয়াৰ বিৱৰণ, যাগত মন্ত্রৰ বিনিয়োগ, ইতিহাস দেৱতা আদি বিষয়ৰ আলোচনা, যজ্ঞফলৰ আলোচনা ইত্যাদি বিষয়সমূহ আলোচিত হৈছে। কলেবৰ আৰু বিষয়বস্তুৰ ফালৰ পৰা এই গ্রন্থসমূহ অতি বৃহৎ। প্রত্যেক বেদৰে নির্দিষ্ট কিছুমান ব্রাহ্মণ গ্রন্থ আছে। তেনে ঐতৰেয়ব্রাব্রাহ্মণৰ, কৌষিতকী ব্রাহ্মণ (ঋগ্বেদ), তাণ্ড্য মহাব্রাহ্মণ, জৈমিনীয় ব্রাহ্মণ (সামবেদ) শতপথ ব্রাহ্মণ, তৈত্তিৰীয় ব্রাহ্মণ (যজুর্বেদ), গোপথ ব্রাহ্মণ (অথর্ববেদ) ইত্যাদি।

আৰণ্যক ঃ ব্রাহ্মণ গ্রন্থত থকা কর্মকাণ্ড অর্থাৎ যাগ-যজ্ঞৰ পৰা যেতিয়া মানুহৰ মন জ্ঞান-যোগৰ প্রতি আকৃষ্ট হ'বলৈ ধৰে, তেতিয়াই আৰণ্যকৰ সৃষ্টি হ'ল। যাগ-যজ্ঞৰ বাহ্যিক বর্ণনা আৰণ্যকত পোৱা নাযায়, বৰঞ্চ আৰণ্যক গ্রন্থত মুখ্যভাৱে অধ্যাত্ম বিদ্যা, আত্ম-তত্ত্ব, সৃষ্টি-ৰহস্য আদি বিষয়সমূহ আলোচনা কৰা হৈছে। অথর্ববেদৰ বাহিৰে বাকীকেইখন বেদৰ আৰণ্যক গ্রন্থ আছে।

উপনিষদ ঃ আৰণ্যকৰ পৰৱর্তী পর্য্যায়টোৱেই হৈছে উপনিষদ। উপনিষদত সৃষ্টি-তত্ত্ব, আত্মা-অনাত্মা আদিৰ বিচাৰ, পৰমাত্মা-জীৱাত্মা তত্ত্ব, ব্রহ্ম আৰু মোক্ষ তত্ত্ব আদি আধ্যাত্মিক বিষয়সমূহ আলোচিত হৈছে। উপনিষদ্ শব্দটো 'সদ্' ধাতুটোৰ পৰা সৃষ্টি হৈছে যাৰ তিনিটা অর্থ পোৱা যায়— বিশৰণ, প্রগতি (গতি) আৰু অবসাদন। ঈশোপনিষদত কোৱা হৈছে যে, যিয়ে সম্পূর্ণ অনর্থৰ উৎপাদক সংসাৰক নষ্ট কৰি দিয়ে, সম্পূর্ণ সংসাৰৰ প্রকৃতি অবিদ্যাক শিথিল কৰে তথা ব্রহ্মাৰ সাক্ষাৎকাৰ কৰায়, সেয়েই উপনিষদ। প্রত্যেকখন বেদৰে ভিন্ন ভিন্ন উপনিষদ গ্রন্থ আছে।

৬.৫ আৰণ্যক ঃ সাধাৰণ পৰিচয়

আৰণ্যক আৰু উপনিষদসমূহ ব্রাহ্মণ সাহিত্যৰপৰিশিষ্ট ৰূপত সংলগ্ন হৈ থাকে। ব্রাহ্মণৰ অন্তিমাংশ হ'ল আৰণ্যক তথা আৰণ্যকৰ অন্তিমাংশ হ'ল উপনিষদ। ব্রাহ্মণ গ্রন্থতকৈ ভিন্ন বিষয় আৰণ্যকত আলোচনা কৰা হৈছে। আৰণ্যকত উচ্চস্তৰীয় জ্ঞানমুখী আধ্যাত্মবাদৰ প্রতিফলন

দেখিবলৈ পোৱা যায়। আৰণ্যকত যজ্ঞকর্মৰ সাংকেতিক আৰু আধ্যাত্মিক ব্যাখ্যা পোৱাৰ লগতে, উপনিষদত কর্মহীন বিশুদ্ধ জ্ঞানৰ প্রকাশ পোৱা যায়। ব্রাহ্মণত সম্পূর্ণৰূপে কর্মকাণ্ডৰেই আলোচনা আছে, উপনিষদ জ্ঞানকাণ্ডৰ অন্তর্গত। আৰণ্যক কর্মকাণ্ড তথা জ্ঞানকাণ্ডৰ মধ্যৱর্তী ৰচনা।

'আৰণ্যক' শব্দটোৱে নিজেই বুজায় যে ইয়াৰ বিষয়বস্তু যেতিয়া অৰণ্যত থকা হৈছিল, তেতিয়া আলোচত হৈছিল। এই জ্ঞানসমূহ ঋষিসকলে যেতিয়া অৰণ্যত আছিল তেতিয়াই দর্শন কৰিছিল আৰু যজ্ঞৰ ৰহস্যসমূহ এই গ্রন্থসমূহত লিপিবদ্ধ কৰিছিল। সায়ণে কৈছে— 'আৰণ্যব্রতৰূপম্ ব্রাহ্মণম্'। ঐতৰেয় ব্রাহ্মণৰ ভাষ্য অৱতৰণিকাত সায়ণাচার্য্যই কৈছে যে, ঐতৰেয় ব্রাহ্মণৰ আৰণ্যকত এটা পৃথক কাণ্ড আছে। এই কাণ্ডটো অৰণ্যত পঢ়া হয় কাৰণে ইয়াক আৰণ্যক বোলা হৈছে। যিবোৰ বিষয়বস্তু কেবল অৰণ্যত অধ্যয়ন কৰা হয়, সেইবোৰহে এই অধ্যায়টোত আলোচনা কৰা হৈছে। 'মহাব্রত'ৰ কেৱল হৌত্রকর্মহে ইয়াত আলোচনা কৰা হৈছে—

'ঐতৰেয়ব্রাহ্মনেঽস্তি কাণ্ডমাৰণ্যকাভিধম্।
অৰণ্য এৱ পাঠ্যত্বাদাৰণ্যকমিতীর্যতে।। ৫।।
.....
সত্রপ্রকৰণেঽনুক্তিৰৰণ্যাধ্যয়নায় হি।
মহাব্রতস্য তস্যাত্র হৌত্র কর্ম বিবিচ্যতে'।। ৮।।

তৈত্তিৰীয় আৰণ্যকৰ ভাষ্যত সায়ণাচার্য্যই আকৌ কৈছে যে অৰণ্যত অধ্যয়ন কৰা হেতুকেই ইয়াক 'আৰণ্যক' বুলি কোৱা হয়। অৰণ্যত 'সেয়া অধ্যয়ন কৰা উচিত এনে বাক্য কোৱা হৈছে'—

'অৰণ্যাধ্যয়নাদেতদ্ আৰণ্যকমিতীর্যতে।
অৰণ্যে তদধীয়ীতেত্যেৱং বাক্যং প্রৱক্ষ্যতে।।'

(তৈত্তিৰীয়াৰণ্যকম্ ভাষ্য, শ্লোক-৬)

প্রকৃততে আৰণ্যক গ্রন্থৰ অধ্যয়ন আৰু অধ্যাপনা অৰণ্যৰ একান্ত শান্ত পৰিৱেশত হে সম্ভৱ। জনাকীর্ণ ঠাইত এইবোৰৰ অধ্যয়ন লাভপ্রদ, উপযুক্ত আৰু উপাদেয় নাছিল। আৰণ্যকৰ প্রমুখ বিষয় যজ্ঞ নাছিল, বৰঞ্চ যাগ-যজ্ঞাদীৰ আধ্যাত্মিক জ্ঞানৰ মীমাংসা আছিল। ইয়াত প্রাণবিদ্যাৰ মহত্ত্বৰ বিশেষকৈ প্রতিপাদন হৈছে। সুৰেশ্বৰেও তেওঁৰ 'সমৃদ্ধ-বার্ষিক' নামৰ গ্রন্থত 'আৰণ্যক'ৰ সংজ্ঞা নিৰূপণ কৰিছে— 'অৰণ্যাধ্যয়নাচ্চৈত-দাৰণ্যকমিতি' (শ্লোক সংখ্যা ৯)।

এনেকুৱা আধ্যাত্মিক বিদ্যাৰ পঠন অৰণ্যত হোৱা কাৰণে এই বিদ্যা প্রদানকাৰী আৰণ্যক গ্রন্থক 'ৰহস্য' বুলিও কোৱা হয়। গোপথ-ব্রাহ্মণেও এই 'ৰহস্য' বিদ্যাৰ কথা কৈছে। মনুসংহিতাতো এই ৰহস্য সংজ্ঞা ব্যৱহাৰ কৰি কোৱা হৈছে যে, যি ব্রাহ্মণে শিষ্যৰ উপনয়ন কৰি তেওঁক যজ্ঞ বিদ্যা তথা পবিত্র ৰহস্য বিদ্যাৰ সৈতে সমগ্র বেদ অধ্যয়ন কৰায়, তাকেই আচার্য্য বুলি কোৱা হয়—

'উপনীয় তু যঃ শিষ্যং ৱেদমধ্যাপয়েদ্দ্বিজঃ।
সকল্পং সৰহস্যঞ্চ তমাচার্য্যং প্রচক্ষতে।।' (মনুসংহিতা, ২/১৫০)

আৰণ্যকৰ বিশিষ্টতা প্ৰদানৰ হেতু আৰণ্যকক 'ৰহস্যব্ৰাহ্মণম্' বুলিে অভিহিত কৰিছে। 'নিৰুক্ত' গ্ৰন্থৰ টীকাকাৰ দুৰ্গাচাৰ্য্যয়ো ঐতৰেয় আৰণ্যকৰ উদ্ধৃতি দিবলৈ গৈ 'ঐতৰেয়কে ৰহস্যব্ৰাহ্মণম্' বুলি উল্লেখ কৰিছে (২/২/১)। আৰণ্যকক এই কাৰণে ৰহস্য বুলি কোৱা যে, আৰণ্যকত যজ্ঞীয় গূঢ়ৰহস্যৰ বিচাৰধাৰা কৰাৰ লগতে কৰ্মকাণ্ডৰ দাৰ্শনিক ব্যাখ্যাও প্ৰস্তুত কৰা আছে। প্ৰধানভাৱে ব্ৰহ্মবিদ্যাক ৰহস্যবিদ্যা হিচাপে অভিহিত কৰা হৈছে। বিষয়বস্তুৰ ফালৰ পৰা আৰণ্যক আৰু উপনিষদৰ সমতা দেখিবলৈ পোৱা যায়। সেয়েহে 'বৃহদাৰণ্যক' আদি গ্ৰন্থ 'উপনিষদ' শব্দেৰে অভিহিত কৰা হয়। কিন্তু বৰ্ণনাবিষয়ৰ সমানতা থাকিলেও দুয়োবিধৰ মাজত কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। আৰণ্যকৰ মুখ্য বিষয় প্ৰাণবিদ্যা তথা প্ৰতিকোপাসন। উপনিষদৰ বৰ্ণ্যবিষয় হৈছে নিৰ্গুণ ব্ৰহ্মৰ প্ৰাপ্তিৰ উপায়। যদিও দুয়োবিধ গ্ৰন্থৰ মাজত কিঞ্চিত ভেদ আছে, তথাপি দুয়োবিধ গ্ৰন্থই ৰহস্য গ্ৰন্থ।

৬.৬ আৰণ্যক শব্দৰ ব্যুপত্তি

শ্ৰীসদাশিৱ বামন আপ্টে মহোদয়ে তেওঁৰ 'সংস্কৃত-ইংৰাজী কোশ' গ্ৰন্থত আৰণ্যক শব্দটোৰ ব্যাকৰণগত ব্যাখ্যা আগবঢ়াই কৈছে যে, আৰণ্যক গ্ৰন্থসমূহ এনেকুৱা ধাৰ্মিক তথা দাৰ্শনিক লিখনিৰে পৰিপূৰ্ণ যে, যাৰ ব্ৰাহ্মণ গ্ৰন্থৰ লগত সম্বন্ধ আছে। যাৰ সৃষ্টি অৰণ্যত হৈছিল অথবা আৰণ্যক গ্ৰন্থসমূহ অৰণ্যত অধ্যয়নৰ যোগ্য। 'অৰণ্যে ভৱ আৰণ্যকম্' এই ব্যুৎপত্তিৰ দ্বাৰা অৰণ্য শব্দৰ লগত 'তত্ৰভৱ' এই সূত্ৰৰ দ্বাৰা 'বুঞ্' প্ৰত্যয় লগালে 'আৰণ্যক' শব্দটো উৎপত্তি হয়— 'It is one of a class of religious and philosophicol writings (connected with Br ā hma ṇ as) which are either composed in forests, or must be studies there, e.g., ঐতৰেয়াৰণ্যকং, বৃহদাৰণ্যকং আৰু তৈত্তিৰীয়াৰণ্যকম। আৰণ্যে২নুচ্যমানত্বাৎ আৰণ্যকম্, অৰণ্যে২ধ্যায়দাদেব আৰণ্যকমুদাহৃতম্। অৰণ্যে অনুমিতি, আৰণ্যকম্ (অৰণ্য+বুঞ্)

[V.S. Apte, Sanskrit-English Dictionary, P. 13-14]

৬.৭ আৰণ্যক গ্ৰন্থৰ বিষয়বস্তু

'অৰণ্যেষূদ্ভূতত্বাদ্ আৰণ্যকম্'। সাংসাৰিক বিষয়-বন্ধনৰ পৰা মুক্ত হৈ শান্ত তথা নিৰ্জন বনত থাকি ঋষিসকলে যি ব্ৰহ্মবিদ্যা বিষয়ক মহান জ্ঞানভাণ্ডাৰ লাভ কৰিছিল, তাৰেই সংগ্ৰহীত ৰূপ হৈছ আৰণ্যক গ্ৰন্থসমূহ। যেনেদৰে গৃহস্থাশ্ৰমৰ যজ্ঞবিদ্যা তথা আন কিছুমান কৰ্মৰ প্ৰতিপাদন ব্ৰাহ্মণ গ্ৰন্থত থাকে, ঠিক তেনেদৰে বানপ্ৰস্থ আশ্ৰমৰ যিমানবোৰ যজ্ঞানুষ্ঠান, যেনে— মহাব্ৰত, অগ্নিহোত্ৰ আদি আছে, সেইবোৰৰ বিধি তথা ব্যাখ্যা আৰণ্যক গ্ৰন্থত প্ৰতিপাদিত হৈছে। আৰণ্যকসমূহ বানপ্ৰস্থিসকলৰ কৰ্মকাণ্ড প্ৰতিপাদক হ'লেও, তথাপি তাত যজ্ঞৰ আধ্যাত্মিক ব্যাখ্যাৰ প্ৰতিবাদন অনন্য শৈলীৰে কৰা হৈছে। ইয়াত কৰ্মমাৰ্গ আৰু জ্ঞানমাৰ্গ উভয়ৰে সমন্বয় ঘটিছে। উপনিষদসমূহত যি বিস্তৃত ব্ৰহ্মজ্ঞান পোৱা যায়, তাৰ বীজ আৰণ্যক গ্ৰন্থতে পোৱা যায়। মহাভাৰতৰ

শান্তিপর্বত কোৱা হৈছে যে তেনেদৰে দৈৱ পৰা নৱনীত, মলয়াচলৰ পৰা চন্দন, ঔষধিৰ পৰা অমৃত, ঠিক তেনেদৰে বেদৰ পৰা আৰণ্যক প্ৰাপ্ত হৈছে—

'নৱনীতং যথা দধ্নো মলয়াচ্চন্দনং য়থা।
আৰণ্যকং চ বেদেভ্যঃ ঔষধিভ্যো ঽমৃতং য়থা।।
(মহাভাৰত, শান্তিপর্ব, ১/২৬৫)

কাল, ঋতু, প্ৰাণ আদি বিষয়সমূহ আৰণ্যকত পোৱা যায়। ঋষিসকলে অৰণ্যৰ গভীৰ গহন নির্জনতাত ধ্যাননেত্ৰেৰে এই দুৰ্ব্বহ তত্ত্বদর্শন কৰিছিল। কিছুমানৰ মতে 'অৰণ্য' শব্দটোৰ এটা অর্থ হৈছে 'ব্ৰহ্ম'; অৰণ্যৰ দৰে ব্ৰহ্ম বিষয়টোও গভীৰ, গহন তথা দুষ্প্ৰবেশ্য। এই দুৰধিগম্য ব্ৰহ্মতত্ত্বৰ আলোচনাৰ প্ৰধানতা হেতু, এই জাতীয় সাহিত্যক আৰণ্যক বুলি অভিহিত কৰা হয়। ব্ৰাহ্মণ সাহিত্যত ক্ৰিয়াবহুল দ্ৰব্য আৰু কর্মযজ্ঞৰ প্ৰাধান্য, আৰণ্যকত ক্ৰিয়া আৰু দ্ৰব্যহীন মানসযজ্ঞই প্ৰধান। ব্ৰহ্মচাৰী বিদ্যার্থী অৰণ্যত গুৰুৰ সমীপত আৰণ্যকবিদ্যা অধ্যয়ন কৰে। গার্হস্থ্য আশ্ৰম ত্যাগ কৰি যিসকলে বানপ্ৰস্থ অৱলম্বন কৰি বনলৈ গমন কৰে, তেওঁলোকৰ ব্যয়বহুল যজ্ঞ কৰাৰ সামর্থ্য নাথাকে, তেওঁলোকে নির্জনত এই আৰণ্যকৰ আধ্যায়চর্চাত নিমজ্জিত হয়। প্ৰাচীন কালত বেদপাঠ আৰু ব্ৰতপালন— এই দুবিধ কর্ম সম্পন্ন নকৰিলে বেদপাঠ সম্পূর্ণ নহৈছিল। এই বেদব্ৰতৰ উপদেশ আৰণ্যকত আছে। আৰণ্যকত কর্মৰ বাহ্যাবৰণ ত্যাগ কৰি, কর্মৰ আধ্যাত্মিক স্বৰূপ প্ৰকাশিত হৈছে।

কাল সম্বন্ধে আৰণ্যকত বিস্তৃত আলোচনা পোৱা যায়। তৈত্তিৰীয় আৰণ্যকৰ প্ৰাৰম্ভতে কালৰ পাৰমার্থিক তথা ব্যৱহাৰিক ৰূপৰ মনোজ্ঞ আলোচনা আছে। কাল সর্বদায় প্ৰবাহিত হৈ আছে। অখণ্ড সংবৎসৰ ৰূপেৰে পাৰমার্থিক কাল আমি দেখিবলৈ পাইছোঁ। ব্যৱহাৰিক কাল অনিত্য আৰু অনেক ৰূপত বিভাজিত। ব্যৱহাৰৰ কাৰণে মুহূর্ত, দিন, ৰাতি, পক্ষ, মাহ আদি বিভিন্ন খণ্ডত বিভাজিত কাল প্ৰকৃততে একেটাই।

প্ৰাণবিদ্যাৰ মহত্ত্ব আৰণ্যকত বিশিষ্ট বিষয় হিচাপে প্ৰতিভাত হৈছে। প্ৰাণ সকলোতে ব্যাপ্ত— 'সর্বে হীদং প্ৰাণেনাবৃতম্'। প্ৰাণ বিশ্বৰ ধাৰক তথা ৰক্ষক। প্ৰাণেই হৈছে আয়ুসৰ কাৰণ— 'যাবদ্ধ্যস্মিন্ শৰীৰে প্ৰাণো বসতি তাবদায়ুঃ।' প্ৰাণৰ দ্বাৰাই অন্তৰিক্ষ তথা বায়ুৰ সৃষ্টি হৈছিল। অহোৰাত্ৰিৰূপেৰে প্ৰাণেই হৈছে কাল। দিন হৈছে প্ৰাণৰূপ তথা নিশা হৈছে অপানৰূপ। প্ৰাণেই হৈছে দেৱৰূপ তথা ঋষিৰূপ। ঐতৰেয় আৰণ্যকৰ মতে ঋগ্বেদীয় মন্ত্ৰবিলাকৰ দ্ৰষ্ট্ৰাৰূপী ঋষিসকলৰ আকাৰতেই প্ৰাণ বিৰাজমান— 'সর্বা ঋচঃ সর্বে বেদাঃ সর্বে ঘোষাঃ একৈৰ ব্যাহৃতিঃ প্ৰাণ এৱ। প্ৰাণ ঋচ ইত্যেৱ বিদ্যাৎ (ঐতৰেয় আৰণ্যক, ২/২/১০)।

এনেদৰে আৰণ্যকত বিভিন্ন আধ্যাত্মিকতত্ত্বৰ সংকেত উপলব্ধ হয়, যিবোৰৰ পূর্ণবিকাশ উপনিষদত দেখিবলৈ পোৱা যায়। আৰণ্যকসমূহৰ গঠন প্ৰক্ৰিয়া একে নহয়। কোনোবাখন আৰণ্যক যন্ত্ৰময় সংহিতাৰ দৰে, কোনোখন ব্ৰাহ্মণৰ দৰে গদ্যময় আৰু কোনোখন সূত্ৰাত্মক চৰিত্ৰৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেদৰ চাৰিটা ভাগ কি কি?

.....

.....

প্রশ্ন নং ২ ঃ বেদত পোৱা ত্রয়ী মানে কি?

.....

.....

প্রশ্ন নং ৩ ঃ কোনখন বেদৰ আৰণ্যক গ্রন্থ নাই।

.....

.....

প্রশ্ন নং ৪ ঃ জ্ঞানকাণ্ডৰ অন্তর্গত কি কি?

.....

.....

প্রশ্ন নং ৫ ঃ 'ৰহস্য' বুলিলে কি বুজায়?

.....

.....

৬.৮ আৰণ্যকৰ সংখ্যা

পৰম্পৰা অনুযায়ী দৰাচলতে ব্রাহ্মণসমূহৰ যিমানবোৰ শাখা আছিল, আৰণ্যকসমূহৰো সিমানেই শাখা আছিল। কিন্তু বর্তমানে যিমান সংখ্যক ব্রাহ্মণ গ্রন্থ পোৱা যায়, সিমানসংখ্যক আৰণ্যক গ্রন্থ পোৱা নাযায়। অধুনাপ্রাপ্ত আৰণ্যক গ্রন্থসমূহৰ ভিতৰত ঋগ্‌বেদৰ ঐতৰেয় আৰণ্যক আৰু কৌষীতকি আৰণ্যক নামৰ দুখন আৰণ্যক গ্রন্থ পোৱাযা। কৃষ্ণ যজুর্বেদৰ তৈত্তিৰীয় আৰণ্যক, শুক্লযজুর্বেদৰ বৃহদাৰণ্যক হিচাপে দুখন যজুর্বেদৰ আৰণ্যক পোৱা যায়। সামবেদৰ পৃথকৈ আৰণ্যক উপলব্ধ নহ'লেও জৈমিনীয় শাখাৰ 'জেমিনীয়োপনিষদ ব্রাহ্মণ'খন আৰণ্যক ধর্মী হোৱা কাৰণে আৰণ্যক বুলি কোৱা যায়। এই ব্রাহ্মণৰূপী আৰণ্যকখনক 'তলবকাৰ আৰণ্যক' বুলিও কোৱা হয়। এই পাঁচখনেই মূলতঃ আৰণ্যক গ্রন্থ।

আনহাতে সামবেদৰ তাণ্ড্য বা পঞ্চবিংশ ব্রাহ্মণৰ অংশ বিশেষ আৰণ্যক সদৃশ হোৱা কাৰণে 'ছান্দোগ্য আৰণ্যক' নামেৰে পৰিচিত। এই আৰণ্যকৰ পিছৰ অংশ প্রখ্যাত ছান্দোগ্য উপনিষদ। অথর্ববেদৰ কোনো আৰণ্যক গ্রন্থ পোৱা নাযায়।

তলত পাঁচখন আৰণ্যকৰ পৰিচয় প্রদান কৰা হ'ল—

৬.৮.১ ঐতৰেয় আৰণ্যক

ঋগ্‌বেদৰ দুখন আৰণ্যকৰ ভিতৰত অন্যতম আৰণ্যক হৈছে ঐতৰেয় আৰণ্যক। এই আৰণ্যকখন ঐতৰেয় ব্রাহ্মণৰ পৰিশিষ্টৰূপে পোৱা যায়। ঐতৰেয় ব্রাহ্মণখনৰ নিচিনাকৈ এই আৰণ্যকখনৰো দ্রষ্টা মহীদাস ঐতৰেয় বুলি কোৱা হৈছে। এই আৰণ্যকখন পাঁচ ভাগত বিভক্ত আৰু প্রতিটো বিভাগকে একোখন সুকীয়া আৰণ্যক হিচাপে গণ্য কৰি একোখন সুকীয়া সুকীয়া গ্রন্থ হিচাপে স্বীকাৰ কৰা হৈছে। প্রতিটো আৰণ্যক অর্থাৎ অধ্যায় আকৌ কিছুমান অধ্যায় আৰু খণ্ডত বিভক্ত। সেই অনুসৰি প্রথম আৰণ্যকত পাঁচটা অধ্যায়, দ্বিতীয় আৰণ্যকত সাতটা, তৃতীয় আৰণ্যকত দুটা, চতুর্থ আৰণ্যকত এটা আৰু পঞ্চম আৰণ্যকত তিনিটা অধ্যায় আছে। আটাইকেইটা লগ কৰিলে সর্বমুঠ ১৮ অধ্যায় আছে।

ঐতৰেয় আৰণ্যকৰ প্রথম আৰণ্যকত 'মহাব্রত'ৰ বর্ণনা পোৱা যায়। ঐতৰেয় ব্রাহ্মণৰ তৃতীয় প্রপাঠকত বর্ণিত 'গবাময়নসত্র'ৰ এই মহাব্রত অংশবিশেষ। মহাব্রতৰ লগত জড়িত ৰাতিপুৱা, আবেলি আৰু সন্ধিয়াৰ যন্ত্রসমূহো এই আৰণ্যকত উল্লেখ আছে।

দ্বিতীয় আৰণ্যকত দুটা বিভাগ আছে। ১-৩ অধ্যায়ৰ প্রথম বিভাগটোত উক্থ্য অথবা নিষ্কেবল্যশস্ত্র, প্রাণবিদ্যা আৰু পুৰুষৰ বিষয়ে আলোচনা আছে। ৪-৬ অধ্যায়ৰ দ্বিতীয় ভাগটোক 'ঐতৰেয় উপনিষদ' বুলি জনা যায়।

তৃতীয় আৰণ্যকত সংহিতাৰ বিভাগসমূহ দেখুওৱা হৈছে— 'অথাতো নির্ভুজপ্রৱাদাঃ।' এই আৰণ্যকক 'সংহিতোপনিষদ' বুলিও জনা যায়। ইয়াত সংহিতা, পদপাঠ, ক্রমপাঠৰ বিৱৰণ আছে, লগতে স্বৰ-ব্যঞ্জন আদি স্বৰূপৰো বর্ণনা আছে। ইয়াত শংকল্য, মাণ্ডুকেয়ৰ মতো উল্লেখ কৰা হৈছে। এই ব্যাকৰণবিষয়ক অংশটো নিঃসন্দেহে প্রাতিশাখ্য, নিৰুক্ত, ব্যাকৰণ আদিতকৈ প্রাচীন।

চতুর্থ আৰণ্যকটো অতি ক্ষুদ্র। এই আৰণ্যকটোত মহাব্রতৰ পঞ্চম দিনটোত প্রয়োগ কৰিবলগীয়া 'মহানাম্নী' নামৰ ঋক্‌মন্ত্রসমূহৰ সংকলন মাত্র। দৰাচলতে এই আৰণ্যক প্রথম আৰণ্যকৰ পৰিপূৰক মাত্র।

পঞ্চম আৰণ্যক সূত্রাকাৰত ৰচিত তথা ইয়াত নিষ্কেৱল্যশস্ত্রৰ বর্ণনা আছে। এই আৰণ্যকটো দ্বিতীয় আৰণ্যকৰ পৰিপূৰক।

এই আৰণ্যকখনৰ প্রথম তিনিটা আৰণ্যকৰ ৰচক হৈছে মহিদাস ঐতৰেয়, চতুর্থ আৰণ্যকৰ প্রণেতা আশ্বলায়ন, পঞ্চম আৰণ্যকৰ ৰচক শৌনক।

৬.৮.২ শাঙ্খায়ন আৰণ্যক

ঋগ্‌বেদৰ দ্বিতীয়খন আৰণ্যক হৈছে শাঙ্খায়ন আৰণ্যক। ইয়াত পোন্ধৰটা অধ্যায়

আছে আৰু এই আৰণ্যকখনৰ শাঙ্খায়ন ব্ৰাহ্মণৰ লগত নিকট সম্বন্ধ আছে। তৃতীয় অধ্যায়ৰ পৰা ষষ্ঠ অধ্যায়লৈ এই চাৰিটা অধ্যায়ক 'কৌষীতকি উপনিষদ' বোলে। আনহাতে সপ্তম-অষ্টম অধ্যায়ক 'সংহিতোপনিষদ্' বুলি কোৱা হৈছে।

আৰণ্যকখনৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ত মহাব্ৰতৰ বৰ্ণনা আছে। এটা বছৰ জুৰি চলি থকা 'গবাময়ন' নামৰ যাগটোৰ অন্তিম দিনটোৰ আগদিনাখন এই 'মহাব্ৰত' নামৰ যজ্ঞানুষ্ঠানটো সম্পাদন হয়। এই যজ্ঞত তিনিবাৰ সোমৰস চেপা হয়, যাক 'সবন' বুলি কোৱা হয়। ইয়াৰ হোতৃ নামৰ ঋত্বিক্ জনে প্ৰয়োগ কৰা 'শস্ত্ৰ' নামৰ ঋগ্বেদৰ মন্ত্ৰবোৰৰ বৰ্ণনা পোৱা যায়।

ইতিমধ্যে কোৱাৰ দৰে তৃতীয়-চতুৰ্থ-পঞ্চম-ষষ্ঠ অধ্যায়ক একেলগে 'কৌষীতকি উপনিষদ' তথা সপ্তম-অষ্টম অধ্যায়ক 'সংহিতোপনিষদ' বুলি কোৱা হয়।

নৱম অধ্যায়ত প্ৰাণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদিত হৈছে। দশম অধ্যায়ত অগ্নিহোত্ৰৰ সাঙ্গোপাঙ্গ বৰ্ণনা আছে। একাদশ অধ্যায়ত মৃত্যু অপসাৰণৰ বাবে এটা বিশিষ্ট যাগৰ বিস্তৃত বিৱৰণ আছে। দ্বাদশ অধ্যায়ত বিল্বফলৰ দ্বাৰা মণি নিৰ্মাণৰ প্ৰক্ৰিয়া তথা কালৰ স্বৰূপৰ বৰ্ণনা আছে। যি মণি ধাৰণ কৰি সাধকে শত্ৰুৰ ওপৰত বিজয় লাভ কৰিব পাৰে। ত্ৰয়োদশ-চতুৰ্দশ অধ্যায়ত অতি সংক্ষিপ্ত ৰূপত আত্ম-ব্ৰহ্মৰ ঐক্যপ্ৰাপ্তিত প্ৰতিপাদিত জীৱৰ সৰ্বোত্তম উপলব্ধিৰ বিষয়ে কোৱাৰ লগতে 'অহং ব্ৰহ্মা স্মি' এই মহাবাক্য সাধিত হৈছে।

পঞ্চদশ অধ্যায়ত আচাৰ্য্যসকলৰ বংশ বৰ্ণনা আছে। এই অধ্যায়টোৰ পৰা এইটো স্পষ্টৰূপেৰে জনা যায় যে, এই আৰণ্যকখনৰ দ্ৰষ্টা ঋষিজন হৈছে গুণাখ্য শাঙ্খায়ন। তেওঁৰ গুৰু আছিল কহৌল কৌষীতকি। উভয়ে ইয়াৰ অন্তিম আচাৰ্য। এই কাৰণে এই শাঙ্খায়ন আৰণ্যকৰ অন্তৰ্গত উপনিষদখনৰ নাম কৌষীতকি উপনিষদ ৰূপে জনা যায়।

৬.৮.৩ বৃহদাৰণ্যক

শুক্লযজুৰ্বেদৰ শতপথ ব্ৰাহ্মণৰ লগত বৃহদাৰণ্যক সম্বন্ধিত। শুক্লযজুৰ্বেদৰ দুটা শাখা পোৱা যায় মাধ্যন্দিন আৰু কাণ্ব। দুয়োটা শাখাতে বৃহদাৰণ্যক উপলব্ধ। দুয়োটা শাখাৰে আৰণ্যকখন বিষয়বস্তু একে, কেৱল অধ্যায়ৰ অন্তৰ্গত খণ্ডৰ তাৰতম্য আছে। মাধ্যন্দিন শাখাৰ আৰণ্যকখনত ছটা অধ্যায় আছে। প্ৰথমটো অধ্যায়ত ৬ টা, দ্বিতীয়টোত ৫ টা, তৃতীয়টোত ৯ টা, চতুৰ্থটোত ৫ টা, পঞ্চমটোত ১৫ টা আৰু ষষ্ঠ অধ্যায়ত ৪ টা ব্ৰাহ্মণ (সৰু অধ্যায়) আছে। সৰ্বমুঠ ৪৪ টা ব্ৰাহ্মণ আছে। এই ব্ৰাহ্মণসমূহ আকৌ কিছুমান সৰু সৰু 'খণ্ড' আৰু 'কণ্ডিকা'ত বিভক্ত। পঞ্চম আৰু ষষ্ঠ অধ্যায় দুটা পিছৰ সংযোজন বুলি কোৱা হয়। এই ৬ টা অধ্যায়ৰ বাহিৰেও আৰু দুটা অধ্যায় (সপ্তম-অষ্টম) এই আৰণ্যকখনৰ আছে বুলি কোনো কোনোৱে দাবী কৰে। এই দুটা অধ্যায়ত যজ্ঞৰ বিধান আছে, তাৰোপতি শংকৰাচাৰ্য্য অথবা আন কোনোৱেই এই দুটা অধ্যায়ৰ ওপৰত ভাষ্য লিখা নাই। সেইকাৰণে এই দুটাক মূল বৃহদাৰণ্যকৰ সৈতে সংলগ্ন কৰা

হোৱা নাই।

কাণ্ব শাখীয় বৃহদাৰণ্যকতো ৬ টা অধ্যায় আছে। প্ৰথম আৰু দ্বিতীয় অধ্যায়ত ৬ টাকৈ, তৃতীয় অধ্যায়ত ৯ টা, চতুৰ্থ অধ্যায়ত ৬ টা, পঞ্চম অধ্যায়ত ১৫ টা আৰু ষষ্ঠ অধ্যায়ত ৫ টা ব্ৰাহ্মণ আছে। সৰ্বমুঠ ৪৭ টা ব্ৰাহ্মণ এই শাখাৰ আৰণ্যকখনত দেখিবলৈ পোৱা যায়। ইয়াতো ব্ৰাহ্মণসমূহ পুনৰ খণ্ড আৰু কণ্ডিকাত বিভক্ত।

দুয়োটা শাখাৰে আৰণ্যকখনৰ বিষয়বস্তু একে। আনহাতে ইয়াত আত্মতত্ত্বৰ বিশিষ্ট বৰ্ণনা থকা কাৰণে এই আৰণ্যকখনক 'উপনিষদ্' হিচাপেও নামাকৰণ কৰা হৈছে। যাজ্ঞৱল্ক্য হৈছে এই আৰণ্যকখনৰ প্ৰধান চৰিত্ৰ যাৰ সৈতে বিদেহৰ ৰজা জনকে এখন ধৰ্মীয় আলোচনাত অংশগ্ৰহণ কৰিছিল। এই আৰণ্যকখনত এনেদৰে কোৱা হৈছে যে আত্মাক বুজিবলৈ, মানুহক মুনি হোৱাটো প্ৰয়োজন। ব্ৰহ্মলোকত অমৃতত্ব লাভ কৰিবলৈ হ'লে সন্ন্যাসী হোৱা দৰকাৰ— 'এতমেৱ বিদিত্বা মুনিৰ্ভৱতি... ৪.৪.২২'।

৬.৮.৪ তৈত্তিৰীয় আৰণ্যক

কৃষ্ণযজুৰ্বেদৰ তৈত্তিৰীয় সংহিতাৰ অন্তৰ্গত তৈত্তিৰীয় ব্ৰাহ্মণৰ সংলগ্ন আৰণ্যক হৈছে তৈত্তিৰীয় আৰণ্যক। আৰণ্যকসমূহৰ ভিতৰত ইয়াৰ কলেবৰ ডাঙৰ। এই আৰণ্যকখনত দহটা প্ৰপাঠক আছে, যাক 'অৰণ' নামেৰে জনা প্ৰতিটো প্ৰপাঠক আকৌ সৰু সৰু অনুবাকত বিভক্ত। প্ৰতিটো প্ৰপাঠকৰ আদ্যপদেৰে 'অৰণ'টোৰ নামাকৰণ কৰা হৈছে। সেই অনুসৰি প্ৰথম প্ৰপাঠকৰ নাম হৈছে 'ভদ্ৰ' য'ত ৩২ টা অনুবাক আছে, দ্বিতীয় প্ৰপাঠকৰ নাম 'সহৱৈ', ২০ টা অনুবাক আছে, তৃতীয় প্ৰপাঠক 'চিতি' হিচাপে জনা যায়, ইয়াত ২১ টা অনুবাক আছে, চতুৰ্থ প্ৰপাঠকৰ নাম— 'যুঞ্জতে' আৰু ইয়াত ৪২ টা অনুবাক আছে, পঞ্চমৰ নাম 'দেৱ ৰৈ', ইয়াত ১২ টা অনুবাক, ষষ্ঠ প্ৰপাঠকৰ নাম 'পৰে', ইয়াত ১২ টা অনুবাক, সপ্তম প্ৰপাঠকৰ নাম 'শিক্ষা', ইয়াত ১২ টা অনুবাক, অষ্টম প্ৰপাঠকৰ নাম ব্ৰহ্মবিদ্যা, ইয়াত দশম প্ৰপাঠকক 'নাৰায়ণীয়' নামেৰে জনা যায়, ইয়াত ৬৪ টা অনুবাক আছে।

ইয়াৰে সপ্তম, অষ্টম, নৱম প্ৰপাঠক মিলি 'তৈত্তিৰীয় উপনিষদ' হৈছে। আনহাতে দশম প্ৰপাঠক 'নাৰায়ণীয় উপনিষদ' নামেৰে জনা যায়। ভাষ্যকাৰ সায়নাচাৰ্য্যৰ মতে ইয়াৰে দশম প্ৰপাঠকটো খিল অৰ্থাৎ পৰিশিষ্ট বুলি ধৰিব লাগে। তেওঁ কৈছে যে— 'যেনেদৰে বৃহদাৰণ্যকৰ সপ্তম আৰু অষ্টম অধ্যায় খিলকাণ্ড বুলি ধৰা হৈছে, ঠিক তেনেদৰে খিলকাণ্ডৰ লক্ষণ দ্বাৰা যুক্ত হোৱা কাৰণে এইখন নাৰায়ণীয় উপনিষদো (তৈত্তিৰীয় আৰণ্যকৰ দশম প্ৰপাঠক) খিলকাণ্ডৰূপী যাজ্ঞিক উপনিষদ।'

এই আৰণ্যকখনৰ প্ৰথম প্ৰপাঠকত 'আৰণ কেতু' নামৰ অগ্নি উপাসনা তথা তদৰ্থ ইষ্টিৰ বৰ্ণনা আছে। দ্বিতীয় প্ৰপাঠকত পঞ্চমহাযজ্ঞ তথা স্বাধ্যায়ৰ বৰ্ণনা আছে। তৃতীয় প্ৰপাঠকত চাতুৰ্হোত্ৰ মন্ত্ৰৰ উল্লেখ আছে। চতুৰ্থ প্ৰপাঠকত প্ৰবৰ্গ্যৰ উপযোগী

মন্ত্রসমূহ আছে। পঞ্চম প্রপাঠকত যজ্ঞ সম্বন্ধীয় চর্চা আছে। ষষ্ঠ প্রপাঠকত পিতৃমেধ' যজ্ঞ সম্বন্ধীয় যন্ত্রসমূহৰ উল্লেখ আছে। সপ্তম-অষ্টম-নৱম প্রপাঠক 'তৈত্তিৰীয় উপনিষদ' নামেৰে জনাজাত আৰু দশম প্রপাঠক 'নাৰায়ণীয় উপনিষদ' নামেৰে পৰিচিত।

এই আৰণ্যকখনত পূর্ব ইতিহাসৰ বর্ণনা তথা শব্দৰ বৈজ্ঞানিক নির্বচন দেখিবলৈ পোৱা যায়। কাশী, পাঞ্চাল, মৎস্য, কুৰুক্ষেত্র, খাণ্ডৱ, অহল্যা আদিৰ বর্ণনা এই আৰণ্যৰখনৰ উপজীব্য বিষয়।

কৃষ্ণযজুর্বেদৰ মৈত্রায়নী শাখাৰো এখন আৰণ্যক থকা বুলি জনা যায়, যি 'মৈত্রায়ণীয় উপনিষদ্' হিচাপে প্রসিদ্ধ। ইয়াত ৭টা প্রপাঠক আৰু ৭টা খণ্ড আছে।

৬.৮.৫ তলৱকাৰ আৰণ্যক

সামবেদৰ লগত সম্বন্ধিত আৰণ্যক এখন হৈছে তলৱকাৰ আৰণ্যক। এই আৰণ্যকখনক 'জৈমিনীয়োপনিষদ্ব্রাহ্মণম্' বুলিও কোৱা হয়। এই আৰণ্যকখনত ৪টা অধ্যায় আছে। প্রত্যেকটো অধ্যায় অনুবাক আৰু খণ্ডত বিভক্ত। চতুর্থ অধ্যায়ৰ দশম অনুবাকৰ পৰা 'কেনোপনিষদ্' আৰম্ভ হৈছে, যাক 'তবলকাৰোপনিষদ্' নামেৰেও জনা যা। এই আৰণ্যকখনৰ প্রতিপাদন শৈলী অতি হৃদয়স্পর্শী তথা সামবেদীয় মন্ত্রৰ ব্যাখ্যা অতি সুন্দৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ আৰণ্যক শব্দটোৰ ব্যুৎপত্তি লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ কি যাগৰ বিষয়ে আৰণ্যকত প্রধানভাৱে পোৱা যায়।

.....

.....

প্রশ্ন নং ৮ ঃ প্রধানভাৱে আৰণ্যক কেইখন?

.....

.....

প্রশ্ন নং ৯ ঃ ঋগ্বেদৰ আৰণ্যক দুখন কি কি?

.....

.....

প্রশ্ন নং ১০ ঃ তৈত্তিৰীয় আৰণ্যকত কেইটা প্রপাঠক আছে?

.....

.....



৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বেদৰ আৰণ্যক অংশটোৰ বিষয়ে জানিব পাৰিলে।
- আৰণ্যক শব্দটোৰ সংজ্ঞাৰ লগত পৰিচয় হ'ব পাৰিলে।
- আৰণ্যকৰ বিষয়বস্তুৰ লগত চিনাকী হ'ব পাৰিলে।
- বেদৰ আৰণ্যক কেইখনৰ লগত পৰিচয় হ'ব পাৰিলে।



৬.১০ অধিক জানিবলৈ

১) আচার্য জগদীশচন্দ্র (১৯৯৮), *বৈদিক বাঙময়স্যেতিহাসঃ*, বাৰানসী, চৌখম্ভা সুৰভাৰতী প্রকাশন।

২) শাস্ত্রী, (ডা) অশোকচন্দ্র গৌড়, (২০০৭), *সংস্কৃতবাং ময়ৈতিহ্যে বৈদিক বাঙ্ময়ম্*, দিল্লী নাগ পাব্লিশার্স।

৩) মুসল গাঁৰকৰ, গজাননশাস্ত্রী, (১৯৯৪), *বৈদিক সাহিত্য কা ইতিহাস*, বাৰানসী, চৌখম্ভা সংস্কৃত সংস্থান।

৪) Shrava, Satya, (1977). *A Comprehensive History of Vedic Literature*, New Delhi, Pranava Prakashan.

৫) Winternitz, M., (1962), *History of Indian Literature*, Vol.I, Calcutta.

৬) শর্মা, ড° থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী, অসম বেদ বিদ্যালয়।

৭) গোপ, অধ্যাপক যুধিষ্ঠিৰ, (২০০৬), *বৈদিক সাহিত্যেৰ ইতিহাস*, কলকতা, সংস্কৃত বুক ডিপো।



৬.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মন্ত্র, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ।

২ নং প্রশ্নৰ উত্তৰ ঃ তিনি প্রকাৰৰ মন্ত্র, ঋক্, যজুস্ আৰু সামন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অথৰ্ববেদৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আৰণ্যক আৰু উপনিষদ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আৰণ্যক।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অৰণ্য+বুঞ্।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মহাব্ৰত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ পাঁচখন।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ঐতৰেয় আৰণ্যক আৰু শাঙ্খায়ন আৰণ্যক।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ দহটা প্ৰপাঠক আছে।



৬.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখক।

(ক) বেদৰ সংজ্ঞা লিখক।

(খ) আৰণ্যক কাক বোলে?

(গ) মহাব্ৰত যজ্ঞ প্ৰধানভাৱে কোনখন আৰণ্যকত পোৱা যায়?

(ঘ) বৃহদাৰণ্যক কোনখন বেদৰ লগত সংলগ্ন?

(ঙ) ঐতৰেয় আৰণ্যকৰ ৰচক কোন বুলি কোৱা হয়।

(খ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ আৰণ্যকৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ঐতৰেয় আৰণ্যকৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ তৈত্তিৰীয় আৰণ্যকৰ ওপৰত এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক।

মন্ত্ৰ, আৰণ্যক, তলবকাৰ আৰণ্যক, বৃহদাৰণ্যক।

*** ***** ***